# ASSAMESE

## PAPER—II

## ( LITERATURE )

Time Allowed : Three Hours

Maximum Marks : 250

## QUESTION PAPER SPECIFIC INSTRUCTIONS

**Please read each of the following instructions carefully before attempting questions**

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, THREE are to be attempted choosing at least ONE question from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE (Assamese script).

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in chronological order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

## SECTION—A

1. তলৰ পাঁচটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *150* টা শব্দৰ ভিতৰত লিখিব লাগিব : 10×5=50

   *(a)* মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ 'অযোধ্যা কাণ্ড'ত দশৰথৰ মৃত্যু আৰু ৰামৰ বন-গমনৰ বাৰ্তা শুনি ভৰতে কৈকেয়ীক কিদৰে তিৰস্কাৰ কৰিছিল, তোমাৰ ভাষাত লিখাঁ।

   *(b)* "'পাৰিজাত হৰণ' নাটত ৰুক্মিণীক এগৰাকী সৰ্বগুণসম্পন্না নাৰীৰূপে চিত্ৰিত কৰা হৈছে।" এই কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰাঁ।

   *(c)* 'কীৰ্ত্তন-ঘোষা'ত শৃঙ্গাৰ ৰসাত্মক গোপীকৃষ্ণৰ 'ৰাসক্ৰীড়া'ৰ মাজেৰে ভক্তিৰ মাহাত্ম্য কিদৰে প্ৰকাশ কৰা হৈছে, আলোচনা কৰাঁ।

   *(d)* 'কথা-ভাগৱত'ত 'ভাগৱতৰ দশ লক্ষণ'ৰ কথাখিনি তোমাৰ ভাষাত লিখাঁ।

   *(e)* মাধৱদেৱে বৰগীতত শিশুকৃষ্ণৰ বাল্যলীলাৰ বৰ্ণনাটোক কিদৰে ভক্তিৰ স্তৰলৈ উন্নীত কৰিছে, বিচাৰ কৰাঁ।

2. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *250* টা শব্দৰ ভিতৰত লিখিব লাগিব :

   *(a)* 'পাৰিজাত হৰণ' নাটত সমধৰ্মিতাৰ ভেটিত অঙ্কিত শচী আৰু সত্যভামাৰ চৰিত্ৰ দুটাৰ বিষয়ে বিশদভাৱে আলোচনা কৰাঁ। 20

   *(b)* 'ৰাজসূয়' কাব্যখনত ইন্দ্ৰপ্ৰস্থ আৰু সুধৰ্মা সভাৰ বৰ্ণনাত মাধৱদেৱৰ কাব্যিক দক্ষতা কিদৰে অভিব্যক্ত হৈছে, আলোচনা কৰাঁ। 15

   *(c)* 'কীৰ্ত্তন-ঘোষা'ৰ 'ৰাসক্ৰীড়া' অধ্যায়ত কৃষ্ণ আৰু গোপীসকলক যথাক্ৰমে পৰমাত্মা আৰু জীৱাত্মাৰ অৰ্থত গ্ৰহণ কৰি পৰমাত্মাৰ প্ৰতি জীৱাত্মাৰ আকৰ্ষণ আৰু মিলন বুলি অভিহিত কৰাৰ কাৰণ ব্যাখ্যা কৰাঁ। 15

3. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *250* টা শব্দৰ ভিতৰত লিখিব লাগিব :

   *(a)* 'গুৰু-চৰিত-কথা'ত শঙ্কৰদেৱৰ শিক্ষা আৰু ধৰ্মীয় জীৱনৰ কোনবোৰ দিশ সামৰি লোৱা হৈছে, আলোচনা কৰাঁ। 20

   *(b)* 'কথা-ভাগৱত'ৰ তোমাৰ পাঠ্যাংশৰ আধাৰত ভট্টদেৱৰ গদ্যৰীতিৰ বিশেষত্ববোৰ বিচাৰ কৰাঁ। 15

   *(c)* 'কথা-ভাগৱত'ৰ গদ্যৰীতি আৰু 'গুৰু-চৰিত-কথা'ৰ গদ্যৰীতিৰ এটি তুলনামূলক আলোচনা যুগুত কৰাঁ। 15

4. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *250* টা শব্দৰ ভিতৰত লিখিব লাগিব :

   *(a)* কি কি নাটকীয় কলাকৌশলৰ কাৰণে 'পাৰিজাত হৰণ' নাটখনক শঙ্কৰদেৱৰ সৰ্বশ্ৰেষ্ঠ নাট বোলা হৈছে, বিশ্লেষণ কৰাঁ। 20

   *(b)* 'ৰাজসূয়' কাব্যখনত ময়দানৱৰ চৰিত্ৰটো অঙ্কন কৰোঁতে মাধৱদেৱে কাব্যিক প্ৰতিভাৰ পৰিচয় কেনেদৰে দিছে, ব্যাখ্যা কৰাঁ। 15

   *(c)* 'গুৰু-চৰিত-কথা'ৰ আধাৰত মধ্যযুগৰ অসমৰ শিক্ষাব্যৱস্থা আৰু অৰ্থনৈতিক অৱস্থাৰ কি আভাস পোৱা যায়, আলোচনা কৰাঁ। 15

## SECTION—B

**5.** তলৰ পাঁচটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *150* টা শব্দৰ ভিতৰত লিখিব লাগিব : 10×5=50

*(a)* 'মোৰ জীৱন সোঁৱৰণ'ত বেজবৰুৱাৰ জন্ম-বিৱৰণ কিদৰে উপস্থাপিত হৈছে, তোমাৰ ভাষাত লিখাঁ।

*(b)* 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা'ত ব্যঙ্গৰ মাজেৰে অসমীয়া সমাজ-সংস্কাৰৰ কোনবোৰ দিশত আলোকপাত কৰিছিল, লিখাঁ।

*(c)* চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা'ত ৰোমাণ্টিক ভাৱধাৰাৰ কি কি আভাস পোৱা যায়, আলোচনা কৰাঁ।

*(d)* 'জীৱনৰ বাটত' উপন্যাসখনত ধৰণী মাষ্টৰৰ চৰিত্ৰটোৰ মাজেৰে গান্ধীবাদৰ আদৰ্শ কিদৰে পৰিস্ফুট হৈছে, আলোচনা কৰাঁ।

*(e)* 'গাঁওবুঢ়া' নাটকত ভোগমনৰ চৰিত্ৰটোৰ মাজেৰে ইংৰাজৰ কুশাসনৰ ছবি কিদৰে ফুটি ওলাইছে, লিখাঁ।

**6.** তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *250* টা শব্দৰ ভিতৰত লিখিব লাগিব :

*(a)* তোমাৰ মতে 'মৃত্যুঞ্জয়' উপন্যাসখনৰ আটাইতকৈ আকৰ্ষণীয় চৰিত্ৰটোৰ বিষয়ে এটা প্ৰবন্ধ ৰচনা কৰাঁ। 20

*(b)* 'কাৰেঙৰ লিগিৰী' নাটকখনৰ কাঞ্চনকুমাৰীৰ চৰিত্ৰটো চিত্ৰণত জ্যোতিপ্ৰসাদৰ প্ৰতিভা কিদৰে অভিব্যক্ত হৈছে, সম্যকভাৱে আলোচনা কৰাঁ। 15

*(c)* 'মনোমতী' উপন্যাসত লক্ষ্মীকান্ত আৰু মনোমতীৰ মিলন কেতিয়া, ক'ত আৰু কেনেকৈ হৈছিল, লিখাঁ। 15

**7.** তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *250* টা শব্দৰ ভিতৰত লিখিব লাগিব :

*(a)* 'পুৰণি অসমীয়া সাহিত্য' পুথিখনত অসমৰ 'লৌকিক গীত' সম্পৰ্কে ড০ কাকতিয়ে কি কি দিশত আলোকপাত কৰিছে, স্পষ্টভাৱে আলোচনা কৰাঁ। 20

*(b)* 'গাঁওবুঢ়া' নাটকখনত প্ৰহসনৰ লক্ষণবোৰ কিদৰে পৰিস্ফুট হৈছে, বিচাৰ কৰাঁ। 15

*(c)* 'কাৰেঙৰ লিগিৰী' নাটকখনত অনঙ্গৰাম আৰু সুন্দৰ কোঁৱৰৰ চৰিত্ৰ দুটা বিশ্লেষণ কৰাঁ। 15

**8.** তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *250* টা শব্দৰ ভিতৰত লিখিব লাগিব :

*(a)* 'পুৰণি অসমীয়া সাহিত্য'ৰ অন্তৰ্গত 'কাণখোৱা' নামৰ প্ৰবন্ধটোত আছে "এপিনে ইয়াত শিশুজীৱনৰ নিকপটীয়া প্ৰাণৰ প্ৰতিবিম্ব পৰিছে, আনপিনে প্ৰশান্ত ভক্তিভাৱ পূৰ্ণচন্দ্ৰৰ নিচিনাকৈ বিৰাজ কৰিছে।" এই উক্তিৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰাঁ। 20

*(b)* " 'জীৱনৰ বাটত' উপন্যাসখনিৰ মাজেদি প্ৰবাহিত হৈ আছে নিৰন্তৰ এটি ভাগ্যবাদী সুৰ।" তগৰৰ জীৱনবৃত্তৰ আধাৰত এই কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰাঁ। 15

*(c)* নৱকান্ত বৰুৱাৰ 'সম্ৰাট' কবিতাটোৰ মূল বক্তব্য কি, সম্যকভাৱে বিশ্লেষণ কৰাঁ। 15

★ ★ ★